**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 02-05-2024
**Time :** 0705 Hrs.
***Assamese Midday Bulletin***
***HEADLINES***
**--------------------**

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ চৰকাৰ সংবিধানৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ বদ্ধপৰিকৰ।

৩। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে লোকসভা নিৰ্বাচনত হৰাৰ আশংকাত প্ৰধানমন্ত্ৰী পদৰ মৰ্যদা পাহৰি গৈছে বুলি দাবী কৰিছে।

৪। বিজেপিয়ে কৈছে যে গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ সৰ্বাধিক বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে প্ৰকাশ কৰা শেহতীয়া পূৰ্বানুমানৰ পৰা দেশৰ অৰ্থনৈতিক প্ৰগতি শক্তিশালী আৰু সুস্থিৰ বুলি প্ৰমাণিত হৈছে।

***আৰু***

৫। পাঞ্জাব কিংছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই চুপাৰ কিংছক সাত উইকেটত পৰাস্ত কৰে।

oooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ত অহা ৭ মে'ত দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এইটো পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, চত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি গুজৰাটৰ আনন্দ, সুৰেন্দ্ৰনগৰ, জুনাগড় আৰু জামনগৰত চাৰিখন নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে, কংগ্ৰেছ নেতা তথা ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে আজি আহমেদাবাদত সংবাদ মেল সম্বোধন কৰিব। ইপিনে, আম আদমী পাৰ্টী নেত্ৰী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ পত্নী সুনীতা কেজৰিৱালে আজি ভাৱনগৰ আৰু ভৰুচৰ আম আদমী পাৰ্টীৰ প্ৰাৰ্থীৰ হকে বোটাডত   এটা ৰোড শ্ব'ত ভাগ ল'ব।

০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ চৰকাৰ সংবিধানৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ বদ্ধপৰিকৰ। উত্তৰ গুজৰাটৰ বানাচকাণ্ঠাৰ দিছা আৰু চাবৰকাণ্ঠা জিলাৰ হিম্মত নগৰত কালি নিৰ্বাচনী সভাক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। বানাচকাণ্ঠাত নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীমোদীয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণ ব্যৱস্থা বৰ্তাই ৰখা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

উন্নত ভাৰতৰ দৃষ্টিভংগীত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে পুনৰ ক্ষমতালৈ আহিলে ভাৰতবৰ্ষক বিশ্বৰ তিনিটা শীৰ্ষৰ অৰ্থ ব্যৱস্থাৰ অন্যতমৰূপে গঢ়ি তোলাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। তেওঁ লগতে কংগ্ৰেছ দলক তোষামোদ আৰু ভোটবেংকৰ ৰাজনীতিৰ বাবে তীব্ৰ সমালোচনা কৰে। শ্ৰীমোদীয়ে বিকশিত গুজৰাটৰ জৰিয়তে উন্নত ভাৰত গঢ়ি তোলাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও প্ৰকাশ কৰে।

হিম্মতনগৰত শ্ৰীমোডীয়ে ভাষণ প্ৰসঙ্গত তিনি তালাক প্ৰথাৰ বিলুপ্তি আৰু সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ বাবে বিগত ১০ বছৰত তেওঁৰ চৰকাৰে গ্ৰহণ কৰা ঐতিহাসিক উদ্যমসমূহৰ কথা উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক গুণগত স্বাস্থ্য সেৱা, বিদ্যুৎ আৰু বাসগৃহৰ দৰে সকলো বুনিয়াদী সেৱা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শ্ৰীমোডীয়ে বিজেপিৰ প্ৰাৰ্থীৰ হকে বিপুল হাৰত ভোটদান কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা কালি নতুন দিল্লীত দলৰ মুখ্য কাৰ্যালয়ত দহখন দেশৰ আঠাইশটা ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে তেওঁৰ দলৰ নিৰ্বাচনী প্ৰচাৰ কৌশল আৰু সামগ্ৰিক নিৰ্বাচনী প্ৰক্ৰিয়া সন্দৰ্ভত আলোচনাত মিলিত হয়। দলৰ ন' বিজেপি, অৰ্থাৎ বিজেপিক জনা উদ্যমৰ অংশ হিচাপে এই আলোচনা অনুষ্ঠিত হৈছিল। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীনাড্ডাই এই উদ্যমৰ জৰিয়তে বিজেপিৰ কৃতিত্বসমূহৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে বিজেপিয়ে আগবঢ়োৱা অৱদান আৰু ত্যাগৰ দ্বাৰা আনক অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে। আলোচনাত দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰ আৰু অশ্বিনী বৈষ্ণৱো উপস্থিত থাকে। আলোচনাত অষ্ট্ৰেলিয়া, ভিয়েটনাম, বাংলাদেশ, ইজৰাইল, উগাণ্ডা, তাঞ্জানিয়া, ৰাছিয়া, শ্ৰীলংকা, মৰিচাছ আৰু নেপালৰ ৰাজনৈতিক দলৰ প্ৰতিনিধি উপস্থিত আছিল।

০০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এইবুলি দাবী কৰিছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে লোকসভা নিৰ্বাচনত হৰাৰ আশংকাত প্ৰধানমন্ত্ৰী পদৰ মৰ্যদা পাহৰি গৈছে আৰু কংগ্ৰেছে মহিলাৰ মংগলসূত্ৰ তথা জনসাধাৰণৰ বাসগৃহ কাঢ়ি নিব বুলি দাবী কৰিব লৈছে। কংগ্ৰেছ নেতাগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে কংগ্ৰেছে বিজেপিৰ ৩০০খন আসনৰ ভিতৰত ডেৰশৰো অধিক আসন কাঢ়ি লৈ পৰৱৰ্ত্তী চৰকাৰ গঠন কৰিবলৈ ওলোৱাৰ বাবেই শ্ৰীমোডীয়ে এনে ধৰণৰ হাস্যস্পদ আৰু মিছা কথা ক'বলৈ লৈছে।

শ্ৰীমোডীয়ে ৰাজস্থানত নিৰ্বাচনী প্ৰচাৰৰ সময়ত সম্পত্তিৰ দখল সম্পৰ্কীয় বিত্তীয় আৰু প্ৰতিষ্ঠানগত জৰীপ সন্দৰ্ভত শ্ৰীগান্ধীৰ বিবৃতিৰ কথা উল্লেখ কৰি কংগ্ৰেছ দল ক্ষমতালৈ আহিলে দলটোৱে মহিলাৰ মংগলসূত্ৰসহ সকলো সম্পত্তিৰ জৰীপ চলাব আৰু পুনৰ বিতৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব।

০০০০০০

বিজেপিয়ে কৈছে যে গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ সৰ্বাধিক বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে প্ৰকাশ কৰা শেহতীয়া পূৰ্বানুমানৰ পৰা দেশৰ অৰ্থনৈতিক প্ৰগতি শক্তিশালী আৰু সুস্থিৰ বুলি প্ৰমাণিত হৈছে। ইয়াৰ পৰা বিজেপি চৰকাৰৰ নীতি আৰু সংস্কাৰৰ সাৰ্থকতা প্ৰতিফলিত হৈছে বুলি দলে প্ৰকাশ কৰিছে। দলৰ ৰাষ্ট্ৰীয় মিডিয়া মুৰববী অনিল বলুনীয়ে এটা বিবৃতিযোগে কৈছে যে এই সাফল্য বিজেপিৰ উন্নত ভাৰতৰ ব্যাপক দৃষ্টিভংগীৰ সৈতে গভীৰভাৱে সমন্বয় স্থাপন কৰিছে। তেওঁ কয় যে ই অৰ্থনৈতিক সবলীকৰণৰ দিশত ভাৰতৰ যাত্ৰাৰ গুৰুত্বপূৰ্ণ ক্ষণক সূচায় আৰু বিকাশ অনুকূল বাতাবৰণ গঢ়ি তোলাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা সুদৃঢ় কৰি তোলে।

০০০০০০

পাঞ্জাব কিংছে যোৱা নিশা চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই চুপাৰ কিংছক সাত উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৬৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পাঞ্জাবৰ হৈ অপেনাৰ জ'নী বেয়ৰষ্টোই ৪৬ ৰাণ কৰাৰ বিপৰীতে ৰীলে ৰোছৌৱে ৪৩ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ চাৰ্দুল ঠাকুৰ, শিৱম ডুবে আৰু ৰিছাৰ্ড গ্লিছনে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। চেন্নাইৰ ৰুতুৰাজ গাইকোৱাড়ে ৪৮টা বলত সৰ্বাধিক ৬২ ৰাণ কৰে। পাঞ্জাবৰ হৈ হৰপ্ৰীত ব্ৰাৰ আৰু ৰাহুল চাহৰে দুটাকৈ উইকেট লাভ কৰে। এই জয়ৰ সুবাদত পাঞ্জাব প্ৰতিযোগিতাৰ পইণ্ট তালিকাত অষ্টমৰ পৰা সপ্তম স্থানলৈ উন্নীত হৈছে। চেন্নাই বৰ্তমান চতুৰ্থ স্থানত আছে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত হবলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ৰাজস্থান ৰয়েলছ্ বৰ্তমানলৈকে খেলা ৯খন খেলৰ ভিতৰত ৮খনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষত আছে। আনহাতে হায়দৰাবাদে ৯খন খেলৰ ভিতৰত পাঁচখনত জয়লাভ কৰি পঞ্চম স্থানত আছে।

০০০০০০

ভাৰতৰ তাৰকা দবা খেলুৱৈ বৈশালী ৰমেশ বাবুক আন্তঃৰাষ্ট্ৰীয় দবা ফেডাৰেচন, এফ আই দি ই-য়ে আনুষ্ঠানিকভাৱে গ্ৰেণ্ডমাষ্টাৰ উপাধি প্ৰদান কৰিছে। বৈশালী হ'ল কনাৰু হাম্পি আৰু হৰিকা দ্ৰোণাৱল্লীৰ পাছত এই উপাধি লাভ কৰা তৃতীয়গৰাকী ভাৰতীয় মহিলা গ্ৰেণ্ডমাষ্টাৰ। বৈশালীয়ে স্পেইনত বিগত বৰ্ষত অনুষ্ঠিত ল'ব্ৰেগাট অ'পেন দবা প্ৰতিযোগিতাত প্ৰয়োজনীয় আঢ়ৈ হাজাৰ ই এল অ' পইণ্ট সম্পূৰ্ণ কৰিছিল। অৱশ্যে যোৱা মাহত টৰণ্টোত কেণ্ডিডেটছ্ টুৰ্ণামেণ্টৰ সময়ত আয়োজিত ফেডাৰেশ্যনৰ পৰিষদৰ বৈঠকৰ পাছতহে খেলুৱৈগৰাকীক আনুষ্ঠানিকভাৱে এই উপাধি প্ৰদান কৰা হয়।

এই উপাধি লাভৰ পাছত বৈশালী তেওঁৰ ভাতৃ ৰমেশবাবু প্ৰগনানন্ধৰ সৈতে বিশ্বৰ প্ৰথম গ্ৰেণ্ডমাষ্টাৰ ভাতৃ-ভগ্নী যুটিত পৰিণত হয়।

০০০০০০

ভাৰতীয় পুৰুষ দলটো কালি চীনৰ চেংডুত অনুষ্ঠিত থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ত ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১-৪ ব্যৱধানত পৰাস্ত হয় । ভাৰতীয় দলটোৱে ইতিমধ্যে গ্ৰুপ পৰ্যায়ত ইংলেণ্ড আৰু থাইলেণ্ডৰ বিৰুদ্ধে জয়েৰে কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে যদিও ইণ্ডোনেছিয়াৰ হাতত পৰাজিত হৈ গ্ৰুপৰ শীৰ্ষ স্থানৰ পৰা অৱনমিত হৈছে।

কালি প্ৰথমখন খেলত ভাৰতৰ এইচ এছ প্ৰণয়ে এন্থনী চিনিচুকা গিন্টিংক ১৩-২১, ২১-১২, ২১-১২ গে'মত পৰাস্ত কৰি দেশক ১-০ অগ্ৰগতি প্ৰদান কৰে। অৱশ্যে ডাবলছত সাত্বিকচাইৰাজ ৰণকিৰেডী আৰু চিৰাগ

শ্বেট্টীৰ ভাৰতীয় যুটিটো মহম্মদ শ্বোহিবুল ফিকৰি আৰু বাগাছ মৌলানাৰ হাতত ২২-২৪, ২৪-২২, ১৯-২১ গে'মত আৰু ধ্ৰুৱ কপিলা আৰু ছাই প্ৰতীকৰ ভাৰতীয় যুটিটো লিঅ' ৰলি কার্নাণ্ডো আৰু ডেনিয়েল মাৰ্থিনৰ হাতত ২০-২২, ১১-২১ পোনপটীয়া গে'মত পৰাস্ত হয়। একেদৰে ছিংগলছত ভাৰতৰ দুগৰাকী খেলুৱৈ লক্ষ্য সেন আৰু কিদাম্বি শ্ৰীকান্ত ক্ৰমে জোনাতান ক্ৰীষ্টিৰ বিৰুদ্ধে ১৮-২১, ২১-১৬, ১৭-২১ গে'মত আৰু চিকো অ'ৰা দ্বী ৱাৰ্ডোয়ৰ বিৰুদ্ধে ২১-১৯, ২২-২৪, ১৪-২১ গে'মত পৰাস্ত হয়।

000000

সমাপ্ত